**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-Aug-2025 **Time :** 1845 HRS

***Assamese Evening Bulletin***

——————————————————————

## HEADLINES

::::::::::::::::::

১। ব্ৰিটিছ সংগ্ৰহালয়ত সংৰক্ষিত হৈ থকা বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে ৰাজ্য চৰকাৰৰ পদক্ষেপ।

২। সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক স্কুটী প্ৰদান।

৩। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ এইম্‌ছ গুৱাহাটীত সৰ্বভাৰতীয় ৰেডিঅ’লজী অভিৱৰ্তনত অংশগ্ৰহণ।

৪। বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ।

আৰু

৫। অৰুণাচল প্ৰদেশত হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবে সোৱণশিৰি নৈৰ জলস্তৰ অস্বাভাৱিক হাৰত বৃদ্ধি। ধেমাজি আৰু লখিমপুৰ জিলা প্ৰশাসনলৈ এন এইচ পি চিৰ সতৰ্কতা।

০০০০০০০

ৰাজ্য চৰকাৰে ব্ৰিটিছ সংগ্ৰহালয়ত সংৰক্ষিত হৈ থকা বৃন্দাবনী বস্ত্ৰ অসমত প্ৰদৰ্শনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই তাত থকা বৃন্দাবনী বস্ত্ৰ চৰ্তসাপেক্ষে অসমলৈ ১৮ মাহৰ বাবে প্ৰেৰণ কৰা সন্দৰ্ভত আলোচনা কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অক্টোবৰ-নৱেম্বৰত লণ্ডনলৈ যাব। সকলো ঠিকে থাকিলে ২০২৭ চনত ১৮ মাহৰ বাবে ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষই অসমলৈ বৃন্দাবনী বস্ত্ৰ প্ৰেৰণ কৰিব। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি গুৱাহাটীত এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কোচ ৰজা নৰনাৰায়ণৰ অনুৰোধত শ্ৰীমন্ত শংকৰদেৱে প্ৰস্তুত কৰা বৃন্দাবনী বস্ত্ৰখন অসমৰ পৰা তিববত হৈ লণ্ডন, ফ্ৰান্স আদি বিভিন্ন স্থানলৈ যায়। বৃন্দাবনী বস্ত্ৰখন অসমৰ মানুহে চাব পৰা বাবে প্ৰচেষ্টা চলাই থকা হৈছে বুলি তেওঁ সংবাদমেলত উল্লেখ কৰে। শেহতীয়াকৈ সংগ্ৰহালয় কৰ্তৃপক্ষই ৰাজ্য চৰকাৰলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। বৃন্দাবনী বস্ত্ৰখন ৰাখিব পৰাকৈ সংগ্ৰহালয় স্থাপন কৰিলেহে ১৮ মাহৰ বাবে বস্ত্ৰখন আনিব পৰা যাব বুলি তেওঁ কয়।

বাইট (মুখ্যমন্ত্ৰী)

মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এইক্ষেত্ৰত জে এছ ডব্লিউ গ্ৰুপে অসমত সংগ্ৰহালয় নিৰ্মাণ কৰিব। সংগ্ৰহালয় নিৰ্মাণৰ বাবে গ্ৰুপটোক খানাপাৰাত থকা ৰেচম বিভাগৰ এবিঘা মাটি আৱণ্টন দিয়া হৈছে বুলি তেওঁ কয়। বৃন্দাবনী বস্ত্ৰখন প্ৰদৰ্শনৰ পাছত ঘূৰাই পঠিওৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ব্ৰিটিছ সংগ্ৰহালয় কৰ্তৃপক্ষক নিশ্চয়তা প্ৰদান কৰিব লাগিব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে।

বৃন্দাবনী বস্ত্ৰক লৈ মুখ্যমন্ত্ৰীৰ ঘোষণাৰ পাছতে বৰপেটা সত্ৰত আনন্দৰ পৰিৱেশে বিৰাজ কৰিছে। উল্লেখযোগ্য যে বৰপেটা সত্ৰৰ প্ৰথমগৰাকী সত্ৰাধিকাৰ গোপাল আতা তথা মথুৰাদাস বুঢ়া আতাৰ তত্বাৱধানত বস্ত্ৰখন বৈ উলিওৱা হৈছিল। বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে ৰাজ্য চৰকাৰক এই পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

বাইট (বাবুল)

০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ সখী এক্সপ্ৰেছ আঁচনিৰ অধীনত তৃণমূল পৰ্য্যায়ত কাম কৰা ৯ হাজাৰ ৭০৪ গৰাকী মহিলাক আজি স্কুটী প্ৰদান কৰা হয়। এই উপলক্ষে গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই সমূহীয়া কেডাৰ হিচাপে কাম কৰা মহিলাসকলক স্কুটী বিতৰণ কৰাৰ লগতে ক্লাষ্টাৰ পৰ্যায়ৰ সংস্থালৈ ৫১ খন ব্যৱসায় বাহন প্ৰদান কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে প্ৰতিগৰাকী জীৱিকা সখীক অৰুণোদয় আঁচনিৰ জৰিয়তে সামৰি লোৱা হ'ব বুলি ঘোষণ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ২০ হাজাৰৰো অধিক জীৱিকা সখী, কৃষি সখী, বেংক সখী আৰু অন্য সামূহীক কৰ্মীসকলে আত্মসহায়ৰ গোটসমূহৰ অগ্ৰগমী যাত্ৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধিৰ লগতে ভালে সংখ্যক শীৰ্ষ নেতা উপস্থিত থাকে। এই মহিলাসকলক স্কুটী প্ৰদানৰ জৰিয়তে আত্মসহায়ক গোটৰ কাম-কাজসমূহ ত্বৰান্বিত কৰাৰ উপৰি তেওঁলোকৰ যাত্ৰাৰ ব্যয় হ্ৰাস তথা উপাৰ্জন বৃদ্ধিৰ জৰিয়তে সমৃদ্ধিশালী গাঁও নিৰ্মাণৰ পথ প্ৰশস্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্টজত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এইম্‌ছ গুৱাহাটীত সৰ্বভাৰতীয় ৰেডিঅ'লজী অভিৱৰ্তনত অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত তেওঁ এইম্‌ছক সৰ্বাত্মক স্বাস্থ্য সেৱাৰ গুৰি ধৰিবলৈ আহ্বান জনায়। এইম্‌ছ গুৱাহাটীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ জনগণক নিৰন্তৰ সেৱা আগবঢ়াই আহিছে বুলি তেওঁ কয়। যুৱক-যুৱতীসকলে আধুনিক চিকিৎসা শিক্ষাৰে উজ্জীৱিত হোৱাৰ লগতে অঞ্চলটোত দেশৰ উন্নয়নৰ অন্যতম কেন্দ্ৰবিন্দু হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়।

বাইট (সৰ্বা)

উল্লেখযোগ্য যে দেশৰ সকলো এইম্‌ছত একেধৰণৰ চিকিৎসা সেৱা নিশ্চিত কৰাৰ লক্ষ্যৰে এই অভিৱৰ্তনৰ আয়োজন কৰা হয়। দেশৰ বিভিন্ন আগশাৰীৰ চিকিৎসকক ধৰি ৰেডিঅ'লজীৰ লগত জড়িত বিভিন্ন উদ্ভাৱকে এই অভিৱৰ্তনত অংশ লয়।

০০০০০০০

সমাগত বিটিচিৰ নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। ৰাজনৈতিক দলসমূহে বিভিন্ন সমষ্টিৰ বাবে নিজ নিজ দলৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ সমান্তৰালকৈ প্ৰশাসনেও কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। কোকৰাঝাৰ জিলাত আজি শাসনাধিষ্ঠ ইউপিপিএল দলে নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। এই নিৰ্বাচনত দলে ৪০খন আসনতে প্ৰাৰ্থী দিব বুলি ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে দলটোৱে ইতিমধ্যে নিৰ্বাচনৰ বাবে ১৮ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে।

তামুলপুৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পংকজ চক্ৰৱৰ্তীয়ে সমাগত বিটিচিৰ নিৰ্বাচন উপলক্ষে পুস্তিকা, পোষ্টাৰ আদি মুদ্ৰণ সম্পৰ্কীয় কিছু বাধা নিষেধ ঘোষণা কৰিছে। মুদ্ৰক আৰু প্ৰকাশকৰ নাম-ঠিকনা আদি স্পষ্টকৈ উল্লেখ নথকা কোনো নিৰ্বাচনী পুস্তিকা বা পোষ্টাৰ মুকলি কৰিব নোৱাৰিব। এই সমূহ মুদ্ৰণ কৰিবলৈ প্ৰকাশৰ

পৰিচয়ৰ ঘোষণা পত্ৰ মুদ্ৰকক জমা দিব লাগিব। মুদ্ৰণৰ পাছত নিৰ্দিষ্ট সময়ৰ ভিতৰত ঘোষণা পত্ৰ আৰু মুদ্ৰিত নথিপত্ৰৰ প্ৰতিলিপি জিলা দণ্ডাধীশলৈ প্ৰেৰণ কৰিব লাগিব। এনেধৰণৰ কিছু গুৰুত্বপূৰ্ণ নিৰ্দেশনা প্ৰশাসনৰ তৰফৰ তামুলপুৰ জিলাৰ সকলো প্ৰিণ্টিং প্ৰেছৰ স্বত্বাধিকাৰলৈ প্ৰেৰণ কৰা হৈছে।

উল্লেখযোগ্য যে অসম ৰাজ্যিক নিৰ্বাচন আয়োগে অহা ২২ ছেপ্টেম্বৰত বিটিচিৰ সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনৰ পৰা এখন জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেঞ্চৰ জৰিয়তে এখন বৈঠকত মিলিত হয়। বৈঠকত ১৭ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ উদযাপন কৰিবলগীয়া সেৱা সপ্তাহৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়। সেৱা সপ্তাহৰ সময়ছোৱাত  অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভ কৰা হ'ব আৰু বিধানসভা ভিত্তিক বৃহৎ স্বাস্থ্য শিবিৰৰ প্ৰথম পৰ্যায়ৰ আয়োজন কৰা হ'ব। এই সময়ছোৱাত গ্ৰন্থ বৰ্ষ উপলক্ষে প্ৰায় এহেজাৰগৰাকী লেখকক ২৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ উপৰি পৰিৱেশ সজাগতা অভিযানৰ অংশ হিচাপে ৰাজ্যজুৰি ২০ হাজাৰ শিক্ষানুষ্ঠানলৈ প্ৰায় ১৫ লাখ গছপুলি বিতৰণ কৰা হ'ব আৰু মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ভূমি পট্টা প্ৰদান কৰা হ'ব।  একেদৰে নিক্ষয় মিত্ৰ পদক্ষেপৰ অংশ হিচাপে যক্ষ্মা ৰোগমুক্ত অভিযানত গুৰুত্ব আৰোপ কৰা হ'ব। আজিৰ বৈঠকত অহা ৮ ছেপ্তেম্বৰত আৰম্ভ হ'বলগীয়া বিশ্ববৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ প্ৰস্তুতিৰো পৰ্যালোচনা কৰা হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১২৫ সংখ্যক খণ্ড।  এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেবছাইট আৰু newsonair মোবাইল এপত শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।  এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি নিশা এখন নতুন সংগীতালেখ্য প্ৰচাৰ কৰিব। কেন্দ্ৰটোৰ অংশকালীন বাতৰি পৰিবেশক তথা সাংবাদিক উৎপল কুমাৰ দাসে ৰচনা কৰা এই গৱেষণাধৰ্মী আলেখ্যখনৰ নাম **অসমীয়া গীত-মাতত গাঁওখন**। আলেখ্যখনৰ বিৱৰণী কণ্ঠ উৎপল কুমাৰ দাস আৰু অৰুণিমা গোস্বামীৰ। কবিতাংশৰ আবৃত্তি উৎপল কুমাৰ দাস আৰু ইন্দ্ৰজিৎ দাসৰ। আজি নিশা চাৰে ৯ বজাত আকাশবাণী গুৱাহাটীৰ মহাবাহু শাখাত প্ৰচাৰ হ'বলগীয়া এই আলেখ্যখনৰ প্ৰযোজনা ঋতুপৰ্ণ দাসৰ।

০০০০০০০

চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশত হৈ থকা নেৰানেপেৰা বৰষুণৰ বাবে সোৱণশিৰি নৈৰ জলস্তৰ অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে। ইয়াৰ পৰিপ্ৰেক্ষিতত এন এইচ পি চিৰ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কৰ্তৃপক্ষই ধেমাজি আৰু লখিমপুৰ জিলা প্ৰশাসনলৈ  সতৰ্কতা জাৰি কৰিছে। ধাৰাসাৰ বৰষুণৰ ফলত সোৱণশিৰি নৈৰ জলস্তৰ অধিক বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্প কৰ্তৃপক্ষই ধেমাজি আৰু লখিমপুৰ জিলা প্ৰশাসনক সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। এন এইচ পি চিৰ কৰ্তৃপক্ষই জনসাধাৰণক নৈৰ পাৰলৈ নাযাবলৈ পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তৰা মানহানিৰ গোচৰত আজি অসম প্ৰদেশ কংগ্ৰেছৰ তত্বাৱধায়ক মনোজ চৌহান কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ হয়। আদালতে সমগ্ৰ বিষয়টোক লৈ শুনানি গ্ৰহণৰ অন্তত ১৭ ছেপ্তেম্বৰত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে। উল্লেখযোগ্য যে মনোজ চৌহানে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ বিৰুদ্ধে কেতবোৰ আপত্তিজনক মন্তব্য কৰিছিল। চৌহানৰ মন্তব্যক অপমানজনক আখ্যা দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কংগ্ৰেছ নেতাজনৰ বিৰুদ্ধে আদালতত মানহানিৰ গোচৰ তৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্‌ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্‌ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০

সমাপ্ত